দিনটোৰ উক্তি

জুবিন গাৰ্গক অকালতে হেৰুৱাই যিদৰে অসমবাসী শোকত ম্ৰিয়মাণ, সেইদৰে অসম গণ পৰিষদ দলো সমানে শোকদগ্ধ। জুবিন গাৰ্গক ন্যায় দিবই লাগিব। এয়া শিল্পীগৰাকীৰ কোটি কোটি অনুৰাগীৰ দৰে অগপৰো একেই আহ্বান।

—অগপ সভাপতি-মন্ত্ৰী, অতুল বৰা

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

ফোন নং঳ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৩২৮ বুধবাৰ ২৮ আহিন ১৯৪৭ শক ১৫ অক্টোবৰ ২০২৫ চন ASOMIYA KHABAR JORHAT WEDNESDAY 15 OCTOBER 2025 দাম঳




# কানৈ মহাবিদ্যালয়ৰ তিনি শিক্ষাৰ্থীক জুবিন গাৰ্গৰ নামত বঁটা প্ৰদান

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ অক্টোবৰ ঃ সাম্প্ৰতিক সময়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী কোঠাত উপস্থিত থাকিবলৈ আগ্ৰহ নকৰা হৈছে। তেনে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণী কোঠালৈ আকৰ্ষণ বৃদ্ধি কৰিবলৈ আৰু অভিভাৱকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ব্যতিক্ৰমী বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই। ছাত্ৰ একতা সভাৰ সভাপতি আত্ৰেয় চেতিয়া, সাধাৰণ সম্পাদক বেদব্যাস বড়িয়ে এক প্ৰেছ বিবৃতিত জনোৱা মতে, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)-ৰ নিয়মীয়া পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেই মৰ্মে মহাবিদ্যালয়ৰ পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে ৰিয়া মেছ (প্ৰথম সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ উৎকৃষ্টতা বঁটা', বিধান লাচিত ফুকন (দ্বিতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী প্ৰেৰণা বঁটা' আৰু বিৰাজ বল্লভ গগৈ (তৃতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ প্ৰতিশ্ৰুতি বঁটা' প্ৰদানৰ বাবে মনোনীত কৰা হৈছিল।

আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° পি কে বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইউ জি চিৰ মালৱিয়া মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক ড° তাবাছুম ৰিজভি আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নৱজিত মেধীয়ে শিক্ষাৰ্থীকেইজনক উক্ত বঁটাকেইটি প্ৰদান কৰে। বঁটা প্ৰদান কৰি আটাইকেইগৰাকীয়ে এনেধৰণৰ ব্যতিক্ৰমী বঁটা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বঁটাপ্ৰাপক শিক্ষাৰ্থীকেইজনক আশীৰ্বাদ প্ৰদান কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নৱজিত মেধীয়ে কয়—বৰ্তমান সময়ত ছাত্ৰী-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণৰ প্ৰতি যি অনীহা দেখা পোৱা গৈছে সেই মুহূৰ্তত শ্ৰেণী কোঠাত সৰ্বাধিক উপস্থিত থাকি বঁটা লাভ কৰাটোৱে সমাজলৈ বাৰ্তা কঢ়িয়াব। বঁটা প্ৰদান কৰি ড° ৰিজভিয়ে কয়— শ্ৰেণী কোঠাত মই সৰ্বাধিক উপস্থিত থাকিও এনেধৰণৰ কোনো বঁটা লাভ নকৰিলোঁ। আজি এনে এটি বঁটা নিজ হাতেৰে প্ৰদান কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছো। সকলো ছাত্ৰ-ছাত্ৰীয়েই এই বঁটা আগনন্তুক দিনত লাভ কৰিব বুলি মই আশাবাদী।

